**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-Aug-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
-------------------

১। গুৱাহাটীত আই আই এম স্থাপন বিষয়ক বিধেয়ক গৃহীতকৰণত মুখ্যমন্ত্ৰীৰ আদৰণি।
২। জয়লাভৰ সম্ভাৱনা থকা প্ৰাৰ্থীক বি টি চি নিৰ্বাচনত প্ৰাৰ্থিত্ব দিয়াৰ বাবে অসম গণ পৰিষদৰ প্ৰস্তাৱ। আমবাৰীত কেন্দ্ৰীয় সমিতিৰ গুৰুত্বপূৰ্ণ বৈঠক।
৩। ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ তীব্ৰ ভাবুকি।
৪। খাদ্যত বিষক্ৰিয়া হৈ হোজাইত শিশু-মহিলাসহ ২০ গৰাকী লোক অসুস্থ। *আৰু*
৫। নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ।

০০০০০০

লোকসভাত কালি ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান বিধেয়ক গৃহীত কৰাক লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সন্তোষ প্ৰকাশ কৰিছে। এই পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ আৰু ধৰ্মেন্দ্ৰ প্ৰধানক কৃতজ্ঞতা জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কয়, যে আই আই টি, এইমছ আৰু আই আই এমৰ প্ৰতিষ্ঠাৰ জৰিয়তে অসম উত্তৰ-পূব ভাৰতৰ প্ৰধান শিক্ষাকেন্দ্ৰ হিচাপে পৰিগণিত হ'ব।

উল্লেখযোগ্য যে গুৱাহাটীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান স্থাপনৰ পথ প্ৰশস্থ কৰি লোকসভাই কালি ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক ২০২৫ গ্ৰহণ কৰে। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে উত্থাপন কৰা বিধেয়কখন নিম্ন সদনত কালি মৌখিক ভোটত গৃহীত হয়। কেন্দ্ৰীয় চৰকাৰে এই প্ৰকল্পৰ বাবে ৫৫০ কোটি টকা আছুতীয়াকৈ ৰাখিছে। এই প্ৰতিষ্ঠান উত্তৰ-পূবৰ দ্বিতীয় আৰু দেশৰ ২২ সংখ্যক আই আই এম হিচাপে পৰিগণিত হ'ব।

০০০০০০

জয়লাভৰ সম্ভাৱনা থকা প্ৰাৰ্থীক বি টি চি নিৰ্বাচনত প্ৰাৰ্থিত্ব দিয়াৰ বাবে অসম গণ পৰিষদে প্ৰস্তাৱ গ্ৰহণ কৰে। গুৱাহাটীৰ আমবাৰীত কালি অসম গণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ এখন বিষয়ববীয়া সভা অনুষ্ঠিত হয়। দলৰ সভাপতি অতুল বৰাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত অহা ১৪ অক্টোবৰৰ পৰা দুদিনীয়াকৈ দলৰ প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰা সন্দৰ্ভত সিদ্ধান্ত লোৱা হয়। তদুপৰি ২৯ আগষ্টত গুৱাহাটীত এন ডি এয়ে আয়োজন কৰা পঞ্চায়ত সন্মিলন সফল কৰা সন্দৰ্ভতো সভাত আলোচনা কৰা হয়। এই সভাত দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ বাবে ২৯ ছেপ্তেম্বৰৰ পূৰ্বে প্ৰয়োজনীয় কাম-কাজ সম্পন্ন কৰিবলৈদলৰ জিলা, সমষ্টি আৰু পঞ্চায়ত সমিতিসমূহক দলে আহ্বান জনায়। এই সন্দৰ্ভত দলৰ সভাপতি অতুল বৰাই এইদৰে কয়—-

**বাইট (অতুল বৰা)**

দলৰ সভাপতিগৰাকীৰ লগতে বিটিআৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অগপৰ কৰ্মীসকলে সক্ৰিয়ভাৱে চলাই আছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে বিটিআৰ নিৰ্বাচনৰ বাবে অগপই গঠন কৰা সমিতিৰ প্ৰতিবেদনৰ ভিত্তিত দলে প্ৰাৰ্থিত্ব প্ৰদান কৰিব। কালিৰ সভাত দলৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া আৰু ভাতৃ-ভগ্নী সংগঠনৰ সদস্যসকল উপস্থিত থাকে।

০০০০০০

অসমৰ ইতিহাস আৰু সংস্কৃতিৰ অবিচ্ছেদ্য অংশ বিশ্বনাথ জিলাৰ চতিয়াৰ গৌৰৱময় ঐতিহ্য উদযাপনৰ বাবে আজি চতিয়া দিৱস উদযাপন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই উদযাপনত অংশ লোৱাৰ কথা। ১৯৪২ চনৰ আজিৰ দিনটো চতিয়াৰ ইতিহাসত সোণালী আখৰেৰে লিখা আছে। এই দিনটোতে হাজাৰ হাজাৰ মুক্তিকামী জনতাই চতিয়া থানাত ব্ৰিটিছ ইউনিয়নৰ জেক অৱনমিত কৰি ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিছিল। এই দিনটো সুঁৱৰি চতিয়াবাসী ৰাইজে পালন কৰিবলৈ লোৱা চতিয়া দিৱস এইবাৰ চৰকাৰীভাৱে পালন কৰা হৈছে। দিৱস সন্দৰ্ভত আমাৰ বিশ্বনাথ জিলাৰ সংবাদদাতা অম্লান কাশ্যপ সাহাই এইদৰে কয়-

**ভইচ (অম্লান কাশ্যপ)**

০০০০০০

ব্ৰহ্মপুত্ৰৰ খহনীয়াই ডিব্ৰুগড়লৈ ভাবুকি কঢ়িয়াই আনিছে।  ডিব্ৰুগড়ৰ মাইজান ঠাকুৰবাৰী ব্ৰহ্মপুত্ৰৰ তীব্ৰ গৰা খহনীয়াত পৰিছে। বিগত এসপ্তাহত ব্ৰহ্মপুত্ৰৰ খৰস্ৰোতা সোঁতে ৮০ মিটাৰ অৱশিষ্ট ভূমিৰ লগতে অঞ্চলটোৰ বহুকেইটা ঘৰ উটুৱাই নিয়ে। খহনীয়াৰ বাবে ঠাকুৰবাৰীৰ নৈপৰীয়া ৰাইজে সেই অঞ্চল ত্যাগ কৰি অন্য স্থানত আশ্ৰয় লৈছে। ব্ৰহ্মপুত্ৰৰ এই খহনীয়াই ডিব্ৰুগড়ৰ সুৰক্ষা বান্ধৰ প্ৰতিও তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। এই সুৰক্ষা বান্ধ বিচ্ছিন্ন হ'লে নগৰখনত ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীয়ে বানৰ সৃষ্টি কৰিব। ইয়াৰ কাষতেই ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়কে ধৰি অসম চিকিৎসা মহাবিদ্যালয় চৌহদৰ লগতে ডিব্ৰুগড় বিমান বন্দৰ আছে। ব্ৰহ্মপুত্ৰৰ খহনীয়াই এতিয়া এই অঞ্চললৈ তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। জলসম্পদ বিভাগে দিনে-নিশাই গৰা খহনীয়া প্ৰতিৰোধৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। বিভাগটোৱে খহনীয়াগ্ৰস্ত অঞ্চলত জিঅ' বেগ আৰু পাৰ্কুপাইন ব্যৱস্থাৰে খহনীয়া ৰোধৰ চেষ্টা চলাইছে যদিও ব্ৰহ্মপুত্ৰৰ সোঁতে এই জিঅ'বেগসমূহ উটুৱাই নিছে। বিগত কিছুদিন ধৰি অসমৰ লগতে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত নেৰা-নেপেৰা বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পাইছে। ফলত ডিব্ৰুগড় চহৰৰ উপৰি উজনি অসমৰ ভিন্ন প্ৰান্তত গৰা খহনীয়াৰ লগতে বান সমস্যাই দেখা দিছে।

০০০০০০

হোজাই জিলাৰ খাৰিখানা বিলগাঁৱত কালি খাদ্যত বিষক্ৰিয়া হৈ শিশু-মহিলাসহ ২০ গৰাকী লোক অসুস্থ হয়। বিলপাৰ গাঁৱত পূজাৰ প্ৰসাদ খোৱাৰ পাছতে শিশু-মহিলাকে ধৰি লোকসকল অসুস্থ হয়। পূজাৰ প্ৰসাদ খোৱাৰ পাছতে গাঁওবাসীৰ মাজত পেটৰ বিষ, বমি, শৌচ আদি লক্ষণ দেখা গৈছে। লগে লগে অসুস্থ লোকসকলক লংকাৰ জোৰা পুখুৰী জিলা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। বৰ্তমানে চিকিৎসালয়খনত শিশু-মহিলাসহ কেইবাজনো লোক চিকিৎসাধীন হৈ আছে।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে পৰৱৰ্তী হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে পৰীক্ষাকেন্দ্ৰ স্থাপন কৰিবলগীয়া বিদ্যালয়সমূহৰ তালিকা ১ ছেপ্তেম্বৰৰ ভিতৰত বিদ্যালয়সমূহৰ পৰিদৰ্শকসকলক দাখিল কৰিবলৈ নিৰ্দেশ দিছে। পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল, পৰীক্ষাৰ সময়ত হোৱা বিসংগতি দূৰ কৰাৰ বাবে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কেন্দ্ৰসমূহ নতুনকৈ চিনাক্ত কৰিবলৈ বিদ্যালয়সমূহৰ পৰিদৰ্শকসকলক নিৰ্দেশ দিছিল। এই নিৰ্দেশৰ ভিত্তিত বিদ্যালয়সমূহৰ পৰিদৰ্শকসকলে পৰীক্ষা কেন্দ্ৰসমূহৰ নাম প্ৰস্তাৱ কৰিছে। পৰিদৰ্শকসকলে প্ৰস্তাৱ কৰা খচৰা পৰীক্ষা কেন্দ্ৰৰ তালিকা সংশ্লিষ্ট সকলো বিভাগকে প্ৰদান কৰিব লাগিব। শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ মুৰব্বীসকলে খচৰা কেন্দ্ৰৰ তালিকা পৰীক্ষা কৰি যাৱতীয় ওজৰ-আপত্তিৰ লগতে পৰামৰ্শ বিদ্যালয়সমূহৰ পৰিদৰ্শকসকলৰ ওচৰত দাখিল কৰিব লাগিব। চলিত মাহৰ ২৭ তাৰিখৰ পূৰ্বে শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ মুৰব্বীসকলে বিদ্যালয়ৰ পৰিদৰ্শকক বিদ্যালয়ৰ প্ৰয়োজনৰ লগতে পৰামৰ্শ প্ৰদান কৰিব পাৰিব। শিক্ষা পৰিষদৰ নিয়মাৱলীৰ বিধি অনুসৰি বিদ্যালয়সমূহৰ পৰিদৰ্শকসকলে ওজৰ-আপত্তিৰ লগতে পৰামৰ্শসমূহ নিষ্পত্তি কৰি ১ ছেপ্তেম্বৰৰ ভিতৰত পৰীক্ষা কেন্দ্ৰৰ  চূড়ান্ত তালিকা দাখিল কৰিব লাগিব।

০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ কোকৰাডাঙাত জলসম্পদ বিভাগৰ হাইড্ৰ' ইনফৰমেটিক্স গোটৰ ১১ জনীয়া বিশেষজ্ঞ দলে কালি খহনীয়া পৰিদৰ্শন কৰে। খহনীয়াৰ সমস্যা স্থায়ী প্ৰতিৰোধৰ বাবে দলটোৱে ড্ৰোনেৰে পৰীক্ষামূলক জৰীপ চলায়। ইয়াৰ দ্বাৰা অঞ্চলটোত খহনীয়া সমস্যাৰ স্থায়ী সমাধান হ'ব বুলি আশা কৰা হৈছে। এই সন্দৰ্ভত দলটোৰ এগৰাকী বিশেষজ্ঞ ভাস্কৰ দাসে এইদৰে কয়—-

**বাইট (ভাস্কৰ দাস)**

০০০০০০

উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনৰ বাবে বিৰোধীৰ INDI মিত্ৰজোঁটে অন্ধ্ৰ প্ৰদেশৰ বি সুদৰ্শন ৰেড্ডীক প্ৰাৰ্থীৰূপে মনোনীত কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ নাম কালি কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই ঘোষণা কৰে। বিৰোধীৰ INDI মিত্ৰজোঁটে বৈঠকৰ অন্তত প্ৰাক্তন ন্যায়াধীশগৰাকীক উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে বাছনি কৰে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত অনুষ্ঠিত বৈঠকৰ পাছতে INDI মিত্ৰজোঁটৰ অন্যতম নেতা তথা NCP-ৰ শাৰদ পাৱাৰ গোটৰ মুৰব্বী শাৰদ পাৱাৰ আৰু মল্লিকাৰ্জুন খাৰ্গেই সংবাদমেলত বি সুদৰ্শন ৰেড্ডীৰ নাম ঘোষণা কৰে।

ইপিনে, এন ডি এৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণনে আজি মনোনয়ন পত্ৰ দাখিল কৰিব। এন ডি এৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই মনোনয়ন পত্ৰ দাখিল পৰ্বত উপস্থিত থাকিব। নতুন দিল্লীত কালি অনুষ্ঠিত এন ডি এৰ সংসদীয় দলৰ বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণনক এন ডি এৰ সাংসদসকলৰ সৈতে চিনাকী কৰোৱাই দিয়ে আৰু সম্বৰ্ধনা জ্ঞাপন কৰে। বৈঠকৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুয়ে কয়, যে শ্ৰীৰাধাকৃষ্ণন যাতে বিনা প্ৰতিদ্বন্দ্বিতাৰে উপ-ৰাষ্ট্ৰপতি পদত নিৰ্বাচিত হয় তাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো সাংসদকে আহ্বান জনাইছে।

অহা ৯ ছেপ্তেম্বৰত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। কাইলৈ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ২২ আগষ্টত মনোনয়ন পত্ৰ পুনৰীক্ষণ কৰা হ'ব আৰু মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ২৫ আগষ্ট ধাৰ্য কৰা হৈছে।

০০০০০০

যোৱাবাৰৰ ছেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে কালি শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাস্ত কৰে। নৰ্থ ইষ্টৰ হৈ ৰিদিম ট্লাঙে বিজয়সূচক গ'লটো দিয়ে।

০০০০০০

অহা ৯ ছেপ্তেম্বৰৰ পৰা সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰত হ'বলগীয়া এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ১৫ জনীয়া ভাৰতীয় দলটো ঘোষণা কৰা হৈছে। সূৰ্য কুমাৰ য়াদৱৰ নেতৃত্বৰ ভাৰতীয় দলটোত টেষ্ট অধিনায়ক শুভমন গীল উপ অধিনায়কৰূপে থাকিব। ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য নিৰ্বাচক অজিত আগৰকাৰ আৰু ভাৰতীয় টি টুৱেণ্টি দলৰ অধিনায়ক সূৰ্য্য কুমাৰ য়াদৱে আজি মুম্বাইত দলটোৰ সদস্যসকলৰ নাম ঘোষণা কৰে। দলটোৰ বাকী সদস্যসকল হৈছে- অভিষেক শৰ্মা, তিলক বাৰ্মা, হাৰ্দিক পাণ্ডিয়া, শিৱম ডুবে, অক্ষৰ পেটেল, জীতেশ শৰ্মা, অৰ্শদীপ সিং, বৰুণ চক্ৰৱৰ্তী, সঞ্জু চেমচন, হৰ্ষিত ৰাণা, ৰিংকু সিং, যশপ্ৰীত বুমৰা, আৰু কূলদীপ য়াদৱ। ৱাছিংটন সুন্দৰ, ৰিয়ান পৰাগ, ধ্ৰুৱ জুৰেল আৰু যশস্বী জয়ছোৱালক এছিয়া কাপৰ বাবে অতিৰিক্ত খেলুৱৈ হিচাপে ৰখা হৈছে। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ গ্ৰুপ এত ভাৰতক পাকিস্তান, ওমান আৰু সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ সৈতে ৰখা হৈছে।

০০০০০০

অসম বেডমিণ্টন সন্থাই আজিৰে পৰা ৩০ আগষ্টলৈ ৰাজ্যৰ চাৰিখন জিলাত অস্মিতা চিটী বেডমিণ্টন লীগৰ আয়োজন কৰিছে। সন্থাৰ সম্পাদক ওমৰ ৰছিদে কালি সংবাদ মাধ্যমক এই বিষয়ে অৱগত কৰে। প্ৰতিযোগিতাৰ খেলসমূহ গুৱাহাটী, শিৱসাগৰ, যোৰহাট আৰু ডিব্ৰুগড়ত খেলোৱা হ'ব। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া মন্ত্ৰালয়ে দেশত মহিলা খেলুৱৈসকলৰ প্ৰতিভা বিকাশ আৰু উত্তৰণৰ লক্ষ্যৰে অস্মিতা আঁচনি গ্ৰহণ কৰি বিভিন্ন ক্ৰীড়া ক্ষেত্ৰৰ প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। এইবাৰৰ প্ৰতিযোগিতাত ছোৱালীৰ ১৫, ১৭ আৰু ১৯ বছৰ অনূৰ্ধ একক শাখাৰ খেলসমূহ অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ সূচী অনুসৰি আজিৰে পৰা ২২ আগষ্টলৈ গুৱাহাটীত, ২৪ৰ পৰা ২৬ আগষ্টলৈ শিৱসাগৰত, ২৬ৰ পৰা ২৮ আগষ্টলৈ যোৰহাটত আৰু ২৮ৰ পৰা ৩০ আগষ্টলৈ ডিব্ৰুগড়ত অস্মিতা চিটী বেডমিণ্টন লীগৰ খেলসমূহ অনুষ্ঠিত হ'ব।

০০০০০০

জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িওৱা অৰ্ধ শতাধিক ভুৱা চিকিৎসকক বিগত কেইবাটাও মাহৰ ভিতৰত গ্ৰেপ্তাৰ কৰা হৈছে। লক্ষণীয়ভাৱে গুৱাহাটীত সৰ্বাধিক ১২ গৰাকী চিকিৎসক গ্ৰেপ্তাৰ হৈছে। এয়া **অসমীয়া প্ৰতিদিন** কাকতৰ মুখ্য বাতৰি।

চীনত অনুষ্ঠিত হ'বলগীয়া ছাংহাই সহযোগীতা সংস্থাৰ বৈঠকৰ  প্ৰাকক্ষণত কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক চীনৰ বৈদেশিক মন্ত্ৰী ৱাং য়িয়ে সাক্ষাৎ কৰে। **দা ছেণ্টিনেল কাকতে** এই বাতৰি গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

পিউ ৰিচাৰ্চ চেণ্টাৰৰ শেহতীয়া তথ্য অনুসৰি বিশ্ব ৰাজনীতিত ২৪ খন দেশৰ অধিকাংশ নাগৰিকে ভাৰতৰ প্ৰতি ইতিবাচক মনোভাৱ পোষণ কৰে। **বিশ্বৰ ৪৭ শতাংশই ভাল পাই ভাৰতীয়ক** শিৰোনামেৰে **দৈনিক অগ্ৰদূত কাকতে** মুখ্য বাতৰিৰ স্থান দিছে।

আলাস্কাত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন আৰু মাৰ্কিন ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্প বৈঠকত মিলিত হোৱাৰ পাছত ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ যুদ্ধক কেন্দ্ৰ কৰি আমেৰিকা, ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত ত্ৰিপাক্ষিক বৈঠকৰ সম্ভাৱনা প্ৰকট হোৱাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে। একেটা বাতৰিৰে **আমাৰ অসম** কাকতৰ শিৰোনাম- জেলেনস্কিৰ পোছাকৰ প্ৰশংসা কৰি ইউক্ৰেইনৰ দায়িত্ব ললে ট্ৰাম্পে।

**দি আছাম ট্ৰিবিউন** কাকতে লোকসভাত কালি অসমত প্ৰথমখন ইণ্ডিয়ান ইনষ্টিটিউট অব মেনেডমেণ্ট চমুকৈ আই আই এম প্ৰতিষ্ঠা কৰাৰ বাবে বিধেয়ক গৃহীত হোৱাৰ বাতৰি প্ৰকাশ কৰিছে।

গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত নৱজাতকৰ মৃত্যুৰ ঘটনাক কেন্দ্ৰ কৰি ধন লোৱাৰ অভিযোগত ১১ গৰাকী ট্ৰলী পুলাৰক গ্ৰেপ্তাৰ কৰা হৈছে। দৈনিক অসম কাকতে গুৰুত্বসহকাৰে এই বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

দি টাইমছ্ অৱ ইণ্ডিয়া কাকতে উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডী ইণ্ডি মিত্ৰজোঁটৰ প্ৰাৰ্থী হোৱাৰ বাতৰি প্ৰকাশ কৰিছে।

দৈনিক জনমভূমিক কাকতে জি এছ টি পৰিষদৰ বৈঠকত পন্য সেৱা কৰ বৃহৎ পৰিৱৰ্তনৰ সম্ভাৱনা, ১০ লাখ সামগ্ৰীৰ হ্ৰাস পোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

ওদালগুৰি জিলা আয়ুক্ত কাৰ্যালয়ত কালি কলেৰা আৰু ডায়েৰিয়া ৰোগ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত এই বৈঠকত চাহ বাগিচাৰ পৰিচালক তথা বিষয়াই অংশগ্ৰহণ কৰে। জিলাখনত ডায়েৰিয়া আৰু কলেৰা ৰোগৰ বিষয়ে বৈঠকত আলোচনা কৰাৰ লগতে এই ৰোগসমূহ প্ৰতিৰোধ কৰাৰ বাবে সজাগতাৰ বিষয়েও আলোচনা কৰা হয়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত, স্বাস্থ্য বিষয়া উপস্থিত থাকে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত